**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-07-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

———————————

১। প্ৰতিৰক্ষা সামগ্ৰীৰ উৎপাদন, ৰপ্তানি অথবা মৈত্ৰী ৰাষ্ট্ৰসমূহৰ সৈতে ৰাজনৈতিক সহযোগিতাকে ধৰি বিভিন্ন ক্ষেত্ৰত ভাৰত অবিৰতভাৱে নতুন শিখৰত উপনীত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। প্ৰহ্লাদ যোশীয়ে আজি কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে।

৩। অসমৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ৰাজ্যখনৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ ৫ শতাধিক গাঁও এতিয়াও বানৰ কবলত আছে।

*আৰু*

৪। তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত ভাৰতে জিম্বাব’ৱেক জয়ৰ বাবে ১৯৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০০

প্ৰতিৰক্ষা সামগ্ৰীৰ উৎপাদন, ৰপ্তানি অথবা মৈত্ৰী ৰাষ্ট্ৰসমূহৰ সৈতে ৰাজনৈতিক সহযোগিতাকে ধৰি বিভিন্ন ক্ষেত্ৰত ভাৰত অবিৰতভাৱে নতুন শিখৰত উপনীত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানত এইদৰে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে লগতে আজি কাৰ্গিল বিজয় দিৱস উপলক্ষে দেশৰ সাহসী সৈনিকসকলক স্মৰণ কৰে। তেওঁ কয়, যে কাৰ্গিল বিজয় দিৱস উদযাপন কৰাৰ বাবেই ২৬ জুলাইৰ দিনটো মনত ৰাখিবলৈ দিনপঞ্জীৰ প্ৰয়োজন নহয়। এই দিনটোৱে সকলোৰে মন গৌৰৱৰ ভাৱনাৰে ভৰাই তোলে আৰু জনসাধাৰণক দেশৰ বীৰ সৈনিকৰ অসীম সাহসৰ বিষয়ে সোঁৱৰাই দিয়ে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ছহিদসকলৰ প্ৰতি প্ৰণিপাত জনাই তেওঁ কয় যে তেওঁলোকে দেশমাতৃৰ বাবে সৰ্বোচ্চ ত্যাগ কৰি গৈছে। শ্ৰীমোদীয়ে ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে নিৰাপদ, সামৰ্থবান আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ সংকল্প সুদৃঢ় কৰিবলৈ দেশবাসীক আহ্বান জনায়।

বাইট (পি এম)

দেশে অহৰহভাৱে প্ৰযুক্তিগত সামৰ্থ বৃদ্ধি কৰি আহিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে অলপতে আই এন এছ মহেন্দ্ৰগিৰি নামৰ দেশতে নিৰ্মিত এখন অত্যাধুনিক যুদ্ধজাহাজ নৌসেনাত অন্তৰ্ভুক্ত কৰা হৈছে। জাহাজখনত ব্যৱহৃত ৭৫ শতাংশৰো অধিক সামগ্ৰী স্বদেশী বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰীয়ে জাহাজখনক আত্মনিৰ্ভৰ ভাৰতৰ বৰ্ধিত শক্তিৰ প্ৰতীক বুলি অভিহিত কৰে।

প্ৰধানমন্ত্ৰীয়ে কেটচ-দ্যা ৰেইন অভিযানৰ কথা উল্লেখ কৰি কয় যে ৪ জুলাইৰ পৰা চলি থকা এই অভিযানৰ দ্বাৰা বৰষুণৰ পানী সংৰক্ষণ, ভূগৰ্ভৰ পানী পুনৰ আহৰণ, পুৰণি জলস্তৰ পুনৰ উদ্ধাৰ তথা গছপুলি ৰোপণ কাৰ্যসূচীক নতুন গতি প্ৰদান কৰা হৈছে। তেওঁ কয় যে কোনো কোনো অঞ্চলত পুৰণি পুখুৰীসমূহৰ পৰা বোকা আতঁৰোৱাৰ লগতে বিভিন্ন ঠাইত কুঁৱাবোৰ পুনৰ উদ্ধাৰ কৰা হৈছে। মন কি বাতৰ সামৰণিত শ্ৰীমোদীয়ে অহা ১৫ আগষ্টত উদযাপন কৰিবলগীয়া স্বাধীনতা দিৱসৰ কথা উল্লেখ কৰি কয়

যে এই দিনটোত দেশৰ স্বাধীনতাৰ হকে সৰ্বোচ্চ ত্যাগ কৰা সহস্ৰ বীৰক স্মৰণ কৰা হয়। তেওঁ কয় যে বিগত বছৰ সমূহত হৰ ঘৰ ত্ৰিৰংগা অভিযানে সমগ্ৰ দেশক একত্ৰিত কৰি ৰাখিছে। তেওঁ জনসাধাৰণক ১৫ আগষ্টৰ পূৰ্বে মাইগভ মুকলি মঞ্চত তেওঁলোকৰ ন ন ধাৰণা আৰু পৰামৰ্শসমূহ আগবঢ়াবলৈ আহ্বান জনায়।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি শিক্ষা মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰে। ধৰ্মেন্দ্ৰ প্ৰধানে পদত্যাগ কৰাৰ পাছতে কালি শ্ৰী যোশীক এই পদত নিযুক্তি দিয়া হয়। শ্ৰী যোশীয়ে গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণৰ লগতে নতুন তথা নৱীকৰণযোগ্য শক্তি বিভাগৰ মন্ত্ৰী হিচাপেও দায়িত্ব অব্যাহত ৰাখিছে। দায়িত্বভাৰ গ্ৰহণ কৰাৰ লগে লগে শ্ৰী যোশীয়ে শিক্ষা মন্ত্ৰালয়ৰ বিভিন্ন আঁচনি আৰু গুৰুত্বপূৰ্ণ পদক্ষেপৰ ৰূপায়ণ মূল্যায়ন কৰাৰ উদ্দেশ্যে এক পৰ্যালোচনামূলক বৈঠকত অধ্যক্ষতা কৰে। শিক্ষা বিভাগৰ ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধুৰীৰ লগতে মন্ত্ৰালয়ৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া বৈঠকত উপস্থিত থাকে ।

বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ সৈতে মত বিনিময় কৰি কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে এই দায়িত্ব প্ৰদান কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। মন্ত্ৰালয়ৰ কাম কাজ, নীতি নিয়ম তথা বৰ্তমান অব্যাহত থকা পদক্ষেপসমূহ বিশেষভাৱে অনুধাৱন কৰিবলৈ তেওঁ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শিক্ষা বিভাগক এটা বৃহৎ আৰু গুৰুত্বপূৰ্ণ বিভাগ বুলি মত প্ৰকাশ কৰি তেওঁ কয় যে শিক্ষা মন্ত্ৰালয়ৰ কাৰ্যসূচীসমূহক আগুৱাই নিয়া আৰু নতুন পদক্ষেপসমূহ ৰূপায়ণ কৰাৰ আগতে এই সম্পৰ্কীয় প্ৰক্ৰিয়াসমূহ ভালদৰে বুজি পোৱাত সম্প্ৰতি অগ্ৰাধিকাৰ দিয়া হৈছে ।

০০০০০০০

প্ৰধানমন্ত্ৰীৰ সংগ্ৰহালয়ত আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ এ-আই হ'ল'বক্স উদ্বোধন কৰা হয়। এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ পৰিয়ালৰ লোক উপস্থিত থাকে। প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ জীৱনৰ অভিজ্ঞতা, নেতৃত্ব আৰু দেশৰ প্ৰতি আগবঢ়োৱা অৱদানৰ সন্মানাৰ্থে এই হ'ল'বক্স উদ্বোধন কৰা হয়। প্ৰাক্তন প্ৰধানমন্ত্ৰী বাজপেয়ীৰ দিনত হোৱা ১৯৯৯ চনৰ কাৰ্গিল যুদ্ধৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰীৰ সংগ্ৰহালয়ক কাৰ্গিল বিজয় দিৱসৰ প্ৰদৰ্শনীৰো আয়োজন কৰা হয়। এই পদক্ষেপৰ দ্বাৰা অটল বিহাৰী বাজপেয়ীৰ নেতৃত্বৰ লগতে দেশৰ সশস্ত্ৰ বাহিনীৰ প্ৰতিও সন্মান প্ৰদৰ্শন কৰা হয়। এই এ-আই হ'ল'বক্সে কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে দেশৰ বিশিষ্ট নেতাসকলৰ অৱদান, দৃষ্টিভংগী আৰু ধাৰণা থ্ৰী-ডি ৰূপত উপস্থাপন কৰিব। মহাত্মা গান্ধী, চৰ্দাৰ বল্লভ ভাই পেটেল, অটল বিহাৰী বাজপেয়ী আৰু ড০ এ পি জে আব্দুল কালামৰ সৈতে দৰ্শনাৰ্থীসকলে বিশেষ ধৰণে কথা পাতিবলৈ সুযোগ লাভ কৰিব।

০০০০০০০

অসমৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ৰাজ্যখনৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ ৫ শতাধিক গাঁও এতিয়াও বানৰ কবলত আছে। ৰাজ্যখনৰ ১০ খন জিলাৰ সৰ্বমুঠ ৮১০ খন গাঁও বানত বুৰ গৈ আছে। এইবাৰৰ বানত ৬ লাখ ৫৪ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। বানৰ ফলত কালি আৰু ৪ জন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰে ভিতৰত শিৱসাগৰত ৩ জন আৰু চৰাইদেউত এজন লোকৰ মৃত্যু হয়। ইয়াকে লৈ ৰাজ্যখনত এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৬৬ হৈছেগৈ।

বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি টেলিফোনযোগে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে কথা পাতি ৰাজ্যৰ বান পৰিস্থিতিৰ বিতংভাৱে বুজ লয়। শ্ৰীসোণোৱালে এই সন্দৰ্ভত কয়, যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যৰ বান পৰিস্থিতি জোৰা মৰাৰ বাবে সকলো সাহায্য আগবঢ়াব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশ্বাস দিছে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে আজি ভাৰত বিভাজনক ইতিহাসৰ আটাইতকৈ ডাঙৰ ভুল আখ্যা দি কয় যে পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰ পি ও কেৰ বিষয়টো ভাৰত আৰু পাকিস্তানৰ মাজত একমাত্ৰ অমীমাংসিত হৈ আছে। নতুন দিল্লীৰ কাশ্মীৰী সাংস্কৃতিক কেন্দ্ৰত পি ও জে কে যুথ ফ'ৰামৰ সহযোগিতাত জম্মু কাশ্মীৰ পিপলছ ফ'ৰামে আয়োজন কৰা ২৭ সংখ্যক কাৰ্গিল বিজয় দিৱস স্মাৰক অনুষ্ঠানত ভাষণ দি ড°সিঙে এই কথা প্ৰকাশ কৰে। ড° সিঙে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ প্ৰতিৰক্ষা কৌশলক এক প্ৰতিক্ৰিয়াশীল দৃষ্টিভংগীৰ পৰা ৰূপান্তৰ ঘটাই বাহ্যিক আক্ৰমণৰ বিৰুদ্ধে নিৰ্ণায়ক আৰু সক্ৰিয় সঁহাৰি হিচাপে গঢ় দি তুলিছে। মন্ত্ৰীগৰাকীয়ে কাৰ্গিল বিজয় দিৱসক ভাৰতৰ একতা আৰু সাৰ্বভৌমত্ব সুৰক্ষিত কৰাৰ বাবে ৰাষ্ট্ৰৰ অটল প্ৰতিশ্ৰুতিৰ এক স্মাৰক আখ্যা দিয়ে। কাৰ্গিলৰ শিক্ষা আজিও প্ৰাসংগিক হৈ আছে বুলি উল্লেখ কৰি তেওঁ কয় যে দেশখনে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহে নিৰন্তৰ সতৰ্কতা আৰু ৰাষ্ট্ৰীয় একতাৰ দাবী অব্যাহত ৰাখিছে। বাহ্যিক আক্ৰমণৰ প্ৰতি নিৰ্ণায়কভাৱে সঁহাৰি জনাবলৈ সক্ষম সক্ৰিয় কৌশলৰ সৈতে সীমান্ত ব্যৱস্থাপনা শক্তিশালী কৰাৰ লগতে প্ৰতিক্ৰিয়াশীল নিৰাপত্তা মতবাদ সলনি কৰি দেশে সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতা নীতিৰে ইয়াৰ ৰাষ্ট্ৰীয় নিৰাপত্তাৰ দৃষ্টিভংগী মৌলিকভাৱে সলনি কৰিছে বুলি ড° সিঙে উল্লেখ কৰে। উল্লেখযোগ্য যে ১৯৯৯ চনৰ কাৰ্গিল যুদ্ধত সৰ্বোচ্চ ত্যাগ কৰা সাহসী সৈনিকসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে এই অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০০০০

বৈজ্ঞানিক পৰিকল্পনা আৰু সামূহিক অংশগ্ৰহণৰ জৰিয়তে "কেটচ দ্য ৰেইন অভিযান" আৰু "মিছন জল ৰক্ষা"ৰ অধীনত ছত্তীশগড়ৰ ৰাজনন্দগাঁও জিলাই জল সংৰক্ষণৰ ক্ষেত্ৰত সমগ্ৰ দেশৰ ভিতৰতে নজিৰ সৃষ্টি কৰা বুলি জল শক্তি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ৬৬২ খন

গাঁৱত ৬০ হাজাৰতকৈও অধিক পানী সংৰক্ষণ আৰু জল পুনৰ ভৰ্তিৰ সুবিধা সৃষ্টি কৰা হৈছে। ৫০০ ৰো অধিক নিষ্ক্ৰিয় হৈ থকা পানীৰ উৎসক ৰিচাৰ্জ শ্বাফ্টলৈ ৰূপান্তৰিত কৰাৰ লগতে ছয় শতাধিক বিশেষ কুঁৱাক ১,৭০০ মিনি পাৰ্ক'লেশ্যন টেংকৰ সৈতে সংযোগ কৰাৰ উপৰি ২,৫০০ পানীৰ উৎসক জিও-টেগ কৰা হৈছে। মন্ত্ৰালয়ে কয় যে এই পদক্ষেপৰ অধীনত সম্ভাব্য ভূগৰ্ভস্থ পানী পুনৰ ভৰ্তি কৰা স্থান চিনাক্ত কৰিবলৈ জিআইএছ মেপিং, ৰিম'ট চেন্সিং, একুইফাৰ মেপিং আৰু ডিজিটেল এলিভেচন মডেলৰ দৰে উন্নত প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে। এই বৈজ্ঞানিক পদক্ষেপসমূহে বৰষুণৰ পানী সংগ্ৰহ আৰু ভূগৰ্ভস্থ পানী পুনৰ ভৰ্তি কৰা প্ৰক্ৰিয়া উল্লেখযোগ্যভাৱে ত্বৰান্বিত কৰা বুলি মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰে।

০০০০০০০

হাৰাৰেত অনুষ্ঠিত ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ভাৰতে জিম্বাব'ৱেক জয়ৰ বাবে ১৯৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছত জিকি প্ৰথমে বেটিং কৰি ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ ১৯২ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ বৈভৱ সূৰ্যবংশীয়ে সৰ্বাধিক ৮১ ৰানৰ বৰঙণি আগবঢ়ায়।

প্ৰত্যুত্তৰত জিম্বাব'ৱেই এই বাতৰি যুগুতোৱাৰ পৰলৈ ৯ অভাৰত চাৰিটা উইকেট হেৰুৱাই ৭৩ ৰান কৰি খেলি আছে।

ভাৰতে কালি একেটা স্থানত অনুষ্ঠিত দ্বিতীয়খন খেলত ঘৰুৱা দল জিম্বাব'ৱেক ৯০ ৰানত পৰাস্ত কৰি শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰে। উল্লেখযোগে যে ভাৰতে শুকুৰবাৰে অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত জিম্বাব'ৱেৰ বিৰুদ্ধে ৭ উইকেটত জয়লাভ কৰিছিল।

০০০০০০০

সমাপ্ত